# দিছপুৰ কলেজত অসমীয়া লিপি বিষয়ক বক্তৃতানুষ্ঠান

**গুৱাহাটী, ২৬ মাৰ্চ ঃ** সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মৃতি দিৱসৰ সৈতে সংগতি ৰাখি দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি 'অসমীয়া লিপি' বিষয়ক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় গীতেৰে আৰম্ভ হোৱা বক্তৃতানুষ্ঠানটি বন্তি প্ৰজ্বলন আৰু সাহিত্যৰথীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ




অধ্যাপক তথা বিশিষ্ট গৱেষক ড° কনক চন্দ্ৰ চহৰীয়া। তেওঁ অনুষ্ঠানৰ মূল বক্তৃতা 'অসমীয়া লিপি' সম্পৰ্কে বক্তব্য প্ৰদান কৰে। বিভাগৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ চন্দন কলিতাই আঁত ধৰা বক্তৃতানুষ্ঠানটো সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক অজিত প্ৰসাদ শৰ্মাই। অনুষ্ঠানটিত অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী ড° মালৱিকা ভট্টাচাৰ্য, বৰ্ণালী বৰা, লীমা কলিতা আৰু ডিম্পী দাস তথা ২য়, ৪ৰ্থ আৰু ৬ষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।